بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**৬ হিজৰী চনৰ কিছুমান যুদ্ধ আৰু অভিযানৰ প্ৰেক্ষাপটত হজৰত নবী কৰিম (ছাঃ)ৰ জীৱনীৰ বৰ্ণনা আৰু বিশ্বৰ অৱনতি ঘটা ৰাজনৈতিক অৱস্থা আৰু ঐশ্বৰিক দুৰ্যোগৰ উদ্ধৃতিত দোৱাৰ প্ৰতি মনোযোগ আকৰ্ষণ**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০ ডিচেম্বৰ ২০২৪ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ۔ الرَّحْمٰنِ الرَّحِيْمِ ۔ مٰلِكِ يَوْمِ الدِّيْنِ ۔ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ ۔ صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আঁহজৰত (ছাঃ)ৰ জীৱনীৰ দিশসমূহ যুদ্ধ আৰু অভিযানৰ ঘটনাৱলীৰ উদ্ধৃতিত বৰ্ণনা চলি আছে। এই সন্দৰ্ভত এটা অভিযান উকাশা বিন মহছনৰ কথাও উল্লেখ পোৱা যায়। এই অভিযান ঘমৰ মৰজকৰ ফালে ৰবিউল আওৱাল ৬ হিজৰীত চলিছিল। ছিৰত খাতামান নাবিঈন (ছাঃ)ত লিখা আছে যে আঁহজৰত (ছাঃ)য়ে নিজৰ এজন মুহাজিৰ চাহাবা উকাশা বিন মহছন (ৰাঃ)ক চল্লিছজন মুছলমানৰ প্ৰতিনিধি বনাই কবিলা বনু আছদৰ ফালে মোকাবিলাৰ বাবে প্ৰেৰণ কৰে। মুছলমান সকলৰ খবৰ পাই এই লোকসকলে চাৰিওফালৰ অঞ্চলত সিঁচৰিত হৈ পৰিছিল।

এইদৰে আৰু এটা অভিযান দহজন মানুহৰ সৈতে হজৰত মহম্মদ বিন মাছলামা (ৰাঃ)ৰ নেতৃত্বত ৬ ৰবিউল ছানি হিজৰীত বনু ছাআলবা আৰু আন আন ঠাইলৈ পঠিওৱা হয়। যেতিয়া এই জামাত তালৈ গৈ পায় তেতিয়া বিৰুদ্ধবাদীৰ এশ মানুহে সিহঁতক ঘেৰাও কৰি বল্লম আৰু তৰোৱালেৰে আক্ৰমণ চলাই গোটেই কেইজনক শ্বহীদ কৰি দিয়ে। হজৰত মহম্মদ বিন মাছলামা (ৰাঃ) বেয়াকৈ আঘাতপ্ৰাপ্ত হৈ পৰি যায়, বিৰোধীসকলে তেওঁৰ কাপোৰ খুলি তাতে এৰি গুচি যায়। এজন মুছলমান সেই শ্বহীদ সকলৰ কাষেদি গৈ থাকোতে তেওঁ ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন পঢ়ে। হজৰত মহম্মদ বিন মাছলামাই যেতিয়া সেই শব্দ শুনা পায় তেতিয়া তেওঁৰ জ্ঞান উভতি আহে, আৰু সেই ব্যক্তিজনে তেখেত (ৰাঃ)ৰ বাবে আহাৰৰ যোগান ধৰে আৰু তেখেত (ৰাঃ)ক অশ্বাৰোহীত বহাই মদিনালৈ লৈ যায়।

মহম্মদ বিন মাছলামা (ৰাঃ)ৰ সংগী সকলৰ শ্বহীদ হোৱাত বিৰোধীপক্ষৰ সৈতে প্ৰতিশোধ ল'বলৈ এটা

অভিযানৰ কথা উল্লেখ পোৱা যায়। এই অভিযানক হজৰত আবু উবায়দা বিন আলজাৰাহ (ৰাঃ) কোৱা হয়। ইয়াৰ বিৱৰণত হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে লিখিছে যে মহম্মদ বিন মাছলামাৰ সংগীসকলৰ শ্বাহাদতৰ লগতে এই সংবাদও পোৱা গৈছিল যে কবিলা বনু ছাআলবাই মদিনাৰ পাৰ্শ্বৱৰ্তী গাঁৱৰ ওপৰত আক্ৰমণ কৰিব বিচাৰে, আঁহজৰত (ছাঃ)য়ে আবু উবায়দা বিন জাৰাহ (ৰাঃ)ৰ নেতৃত্বত চল্লিছজন সংবেদনশীল চাহাবাক ৰাওনা কৰে। আঁহজৰত (ছাঃ)য়ে ৰাতি যাত্ৰা কৰি ৰাতিপুৱাই তেওঁলোকৰ ওচৰলৈ যোৱাৰ নিৰ্দেশ দিছিল, গতিকে নিৰ্দেশ পালন কৰি ৰাতিপুৱাৰ সময়তে তেওঁলোকে বিৰোধীসকলক ঘেৰি লয়, অলপ সময় যুঁজি বিৰোধীসকলে তাৰ পৰা পলায়ক কৰে। আবু উবেয়দা (ৰাঃ)য়ে যুদ্ধলব্ধৰ বস্তু বাহানি লৈ মদিনাৰ ফালে উভতি আহে।

এই অভিযানত যি দুজন চাহাবাৰ কথা উল্লেখ পোৱা যায় অৰ্থাৎ মহম্মদ বিন মাছলামা (ৰাঃ) আৰু উবেয়দা বিন আলজাৰাহ (ৰাঃ)। এই দুজন মহান চাহাবীৰ মাজত আছিল। মহম্মদ বিন মাছলামা (ৰাঃ)য়ে নিজৰ ব্যক্তিগত গুণ আৰু সামৰ্থ্য থকাৰ বাহিৰেও কাআব বিন আশ্ৰব বিন ইহুদীৰ হত্যাৰ নায়ক আছিল; কাৰণ এই দুৰ্নীতিপৰায়ণ তেওঁৰ হাতেৰে কাফিৰ চৰিত্ৰত উপনীত হৈছিল। মহম্মদ বিন মাছলামা (ৰাঃ) আনছাৰ কবিলা অউছৰ অন্তৰ্গত আছিল; আৰু হজৰত উমৰ (ৰাঃ)ৰ খিলাফতৰ সময়ত তেওঁক বিশেষ বিশ্বাসী হিচাপে গণ্য কৰা হৈছিল। অৰ্থাৎ হজৰত উমৰ (ৰাঃ)য়ে সাধাৰণতে তেওঁক নিজৰ শ্ৰমিক সকলৰ অভিযোগৰ তদন্ত কৰিবলৈ পঠিয়াইছিল। হজৰত উছমান (ৰাঃ)ৰ মৃত্যুৰ পিছত যেতিয়া মুছলমান সকলৰ মাজত আভ্যন্তৰীণ বিবাদৰ দুৱাৰ খুলে তেতিয়া মহম্মদ বিন মাছলামা (ৰাঃ)য়ে নিজৰ তৰোৱালখন এটা শিলৰ দ্বাৰা ভাঙি নিজৰ হাতত কেৱল এখন কটাৰী লৈ লয়, কোনোবাই তেওঁক ইয়াৰ কাৰণ সোধাত তেওঁ কলে যে আঁহজৰত (ছাঃ)ৰ পৰা মই এইটো শুনিবলৈ পাইছো যে যেতিয়া মুছলমান সকলৰ মাজত পাৰস্পৰিক হত্যা আৰু ধ্বংসৰ দুৱাৰ খুলে তেতিয়া তৰোৱাল ভাঙি ঘৰত এনেদৰে বহি পৰিব যিদৰে কোঠা এখন ভাঙি মজিয়াত পৰি থাকে। এই নিৰ্দেশ সম্ভৱত মহম্মদ বিন মাছলামা (ৰাঃ)ৰ বাবে বা সেই বিবাদৰ সৈতে বিশিষ্ট আছিল অন্যথা কেতিয়াবা আভ্যন্তৰীণ বিবাদৰ মোকাবিলাও এক উচ্চ ধৰ্মীয় সেৱাৰ গুণ ৰাখে।

দ্বিতীয়জন চাহাবা আবু উবেয়দা বিন জাৰাহ (ৰাঃ) আছিল। তেওঁ শীৰ্ষৰ ভিতৰত এজন চাহাবা আছিল, তেওঁ আছিল কুৰাইছ। তেওঁৰ মহত্ত্ব এই কথাৰ পৰাই স্পষ্ট হৈ পৰে যে আঁহজৰত (ছাঃ)য়ে তেওঁক আমিনুল উম্মত নামৰ উপাধি প্ৰদান কৰিছিল। আঁহজৰত (ছাঃ)ৰ মৃত্যুৰ পিছত হজৰত আবু বক্কৰ (ৰাঃ)য়ে যি দুজন চাহাবাক খলিফাৰ যোগ্য বুলি ভাৱিছিল তাৰ মাজত সিওঁ এজন আছিল। আবু উবেয়দা হজৰত উমৰ (ৰাঃ)ৰ ৰাজত্বকালত প্লেগ মহামাৰীত আক্ৰান্ত হৈ মৃত্যু বৰণ কৰি শ্বহীদ হৈছিল।

আৰু এটা অভিযান, এই অভিযানত জায়েদ বিন হাৰছা ৬ ৰবিউল আখিৰ হিজৰী চনত বনু ছলিমৰ ফালে পঠিওৱা হৈছিল। এইদৰে আৰু এটা অভিযান জায়েদ বিন হাৰছাৰ নেতৃত্বত ১৭০ জন চাহাবা (ৰাঃ)ৰ সৈতে জমাদিল উলা ৬ হিজৰীত আয়েচৰ ফালে পঠিওৱা হয়।

এই ঘটনাবোৰত আঁহজৰত (ছাঃ)ৰ জোঁৱাই আবুল আচ বিন ৰাবিআৰ বন্দী হোৱা আৰু ইছলাম গ্ৰহণ কৰাৰ কথা উল্লেখ পোৱা যায়। তেওঁ নিজৰ বেপাৰ বাণিজ্যৰ বস্তু-বাহানি মুছলমান সকলৰ অধীনস্থ হৈ যোৱাৰ পিছত মদিনালৈ আহিছিল আৰু আঁহজৰত (ছাঃ)ৰ কন্যা জয়নব (ৰাঃ)ৰ পৰা আশ্ৰয় বিচাৰিছিল, হজৰত জয়নব (ৰাঃ)য়ে তেওঁক আশ্ৰয় দিছিল, যেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে এই কথা গম পাইছিল, তেতিয়া ৰছুলে কৰিম (ছাঃ)য়ে লোকসকলক কৈছিল যে মই এই খবৰ এতিয়া গম পালো মই আগতে এই বিষয়ে জনা নাছিলো।

তেখেত (ছাঃ)য়ে হজৰত জয়নব (ৰাঃ)ৰ আবেদন অনুযায়ী আবুল আচৰ সম্পদ উভতাই দিয়াৰ মধ্যস্থতা কৰে তেতিয়া কেৱল আবুল আচৰ সম্পদেই উভতাই দিয়া নাছিল বৰঞ্চ সকলোৰে সম্পদ উভতাই দিয়া হৈছিল। আবুল আচ মক্কাত গৈ লোকসকলৰ সা-সম্পদ উভতাই দি মক্কাবাসীৰ সন্মুখত ইছলাম গ্ৰহণ কৰাৰ কথা ঘোষণা কৰে; এই ঘোষণাৰ পিছত আবুল আচে মদিনালৈ আহিলে তেতিয়া ৰছুলে কৰিম (ছাঃ)য়ে হজৰত জয়নব (ৰাঃ)ক নতুনকৈ বিয়া অবিহনে তেওঁক উভতাই দিলে। হজৰত আবুল আচৰ বেপাৰ বাণিজ্য আছিল মক্কাত, সেই কাৰণে তেওঁ মদিনাত বেছি অৱস্থান কৰিব নোৱাৰিলে যাৰ ফলত মক্কালৈ উভতি গৈছিল। ১২ হিজৰী চনত আবুল আচ মৃত্যু বৰণ কৰে।

এটা যুদ্ধ বনু লায়হান জমাদিল উলা ৬ হিজৰীত সংঘটিত হয়। এই যুদ্ধৰ পৃষ্ঠভূমি সম্পৰ্কে হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে ৰজিআৰ ঘটনাৰ কথা উল্লেখ কৰে যে  দহজন নিৰীহ মুছলমানক নিৰ্মম ভাৱে শ্বহীদ কৰা হৈছিল। বনু লায়হান এতিয়ালৈকে মুছলমান সকলৰ বিৰুদ্ধে ষড়যন্ত্ৰত জড়িত আছিল; সেয়েহে আঁহজৰত (ছাঃ)য়ে কিছু বিচলিত হোৱাটো উপযুক্ত বুলি ভাৱিলে। গতিকে আঁহজৰত (ছাঃ)য়ে নিজৰ সৈতে দুশ চাহাবা সকলৰ লগতে বিশ ঘোঁৰা লৈ তেওঁলোকৰ ফালে ৰাওনা হৈছিল। আঁহজৰত (ছাঃ)তেওঁৰ য়ে অজ্ঞাতে তালৈ উপস্থিত হৈছিল, কিন্তু বনু লায়হানে আঁহজৰত (ছাঃ)ৰ অহাৰ খবৰ পাই গৈছিল; সেই কাৰণে তেওঁ পাহাৰৰ শিখৰত গৈ পলায়ন কৰিছিল, তেওঁলোকৰ কোনো এজনকো গ্ৰেপ্তাৰ কৰিব পৰা নাছিল। তেখেত (ছাঃ)য়ে এদিন বা দুদিন তাতে অৱস্থান কৰে আৰু কেইবাটাও দল ইফালে সিফালে পঠিওৱা হৈছিল কিন্তু কাকো গ্ৰেপ্তাৰ কৰিব নোৱাৰিছিল। আঁহজৰত (ছাঃ)য়ে এই যাত্ৰাত যেতিয়া সেই ঠাইত গৈ পায় য'ত তেখেত (ছাঃ)ৰ চাহাবা সকলে শ্বহীদ হৈছিল তেতিয়া তেখেত (ছাঃ)য়ে ভাবুক হৈ পৰে, তেখেত (ছাঃ) বৰ বেদনাৰে সৈতে সেই শ্বহীদ সকলৰ বাবে প্ৰাৰ্থনা কৰে।

হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে লিখিছে যে এই যাত্ৰাৰ পৰা উভতি অহা সময়ত তেখেত (ছাঃ)য়ে প্ৰাৰ্থনা কৰিছিল, ইয়াৰ পিছৰে পৰা মুছলমান সকলে  সাধাৰণতে যাত্ৰাৰ পৰা উভতি অহা সময়ত এই প্ৰাৰ্থনা কৰি থাকে।

آئبونَ تائبونَ عابِدُونَ سَاجِدُونَ لِرَبِّنَا حَامِدُونَ

অৰ্থাৎ আমি খোদাৰ ফালে উভতি যাব লাগিব, সেইজনাৰ ফালে অৱনত হ'ব লাগিব, সেইজনাৰ উপাসনা কৰিব লাগিব, সেইজনাৰ প্ৰণিপাত কৰিব লাগিব; আৰু নিজৰ প্ৰভুৰ প্ৰশংসাৰ গীত গাব লাগিব। আঁহজৰত (ছাঃ)য়ে পৰৱৰ্তীত যাত্ৰাৰ পৰা উভতি অহা সময়ত সাধাৰণতে এই প্ৰাৰ্থনা কৰিছিল। ইয়াৰ পিছত কেতিয়াবা এই শব্দাৱলী পঢ়িছিল,

صَدَقَ اللهُ وَعْدَهُ وَنَصَرَهُ وَهَزَمَ الْأَحْزَابَ وَحْدَهُ

অৰ্থাৎ আমাৰ প্ৰতিপালকে নিজৰ প্ৰতিজ্ঞা পূৰণ কৰিছে, নিজৰ ভৃত্য সকলক সহায় কৰিছে, আৰু শত্ৰুসকলৰ সৈনিকসকলক নিজৰ ক্ষমতাৰে পিছফালে কৰি দিছে।

এই প্ৰাৰ্থনাত বিশেষ গুণ আছে আৰু এই প্ৰাৰ্থনাই অশান্ত সময়ত নবী কৰিম (ছাঃ)ৰ হৃদয়ত যি অনুভূতি জগাইছিল সেই অনুভূতি তেখেত (ছাঃ)য়ে নিজৰ চাহাবা সকলৰ হৃদয়ত সৃষ্টি কৰিব বিচাৰিছিল, সেই অনুভূতি অধ্যয়ন কৰাৰ সুযোগ পোৱা যায়। এই প্ৰাৰ্থনাত এই ব্যাকুলতা গুপ্ত আছে যে মুছলমান সকলৰ বাবে উপাসনা কৰাত আৰু শান্তিপূৰ্ণ প্ৰচাৰৰ বাটত যি বাধা সৃষ্টি কৰি আছে আল্লাহ তা'লা সেয়া আঁতৰাই পেলাওক।

এটা অভিযান জায়েদ বিন হাৰছাৰ যি জমাদিল আখিৰ ৬ হিজৰীত সংঘটিত হৈছিল। এই অভিযানত আঁহজৰত (ছাঃ)য়ে হজৰত জায়েদ বিন হাৰছা (ৰাঃ)ক পোন্ধৰ জন লোকৰ সৈতে বনু ছাআলবা বিন ছাআদৰ ফালে ৰাওনা কৰিছিল। এই অভিযানত কোনো যুদ্ধ সংঘটিত হোৱা নাছিল। এই ধাৰাবাহিকতা আগলৈ চলি থাকিব বুলি কৈ হুজুৰ আনোৱাৰ (আইঃ)য়ে বিশ্বখন দ্রুত গতিৰে অৱনতিৰ ফালে গৈ থকা সন্দৰ্ভত কয় যে বিশ্বৰ যি পৰিস্থিতি সকলোৰে জানে, ছিৰিয়াত যি পৰিস্থিতি উদ্ভৱ হৈছে সেয়া এতিয়াও স্পষ্ট হোৱা নাই। এটা নিষ্ঠুৰ আৰু অত্যাচাৰী চৰকাৰৰ অন্ত পৰিছে বুলি জানিব পৰা যায়, গতিকে প্ৰাৰ্থনা কৰিব যে আগন্ত চৰকাৰখন যেন ন্যায়ৰ সৈতে কাম কৰে। আল্লাহ তা'লা সেই অঞ্চলৰ আহমদী সকলক সুৰক্ষিত ৰাখক। বিশ্লেষক সকলে লিখিছে যে জনসাধাৰণে আপাত দৃষ্টিত অত্যাচাৰ শেষ হৈছে বুলি আনন্দ উৎযাপন কৰি আছে কিন্তু পৰৱৰ্তীত কি হ'ব জনা নাযায়। ইজৰাইলে এই অঞ্চলবোৰত বিনা সতৰ্কবাণীৰে আক্ৰমণ চলাই আছে, বাহ্যিকৰূপে ইছলামী জগতৰ বিৰুদ্ধে তেওঁলোকৰ ইচ্ছা ভয়াবহ বুলি ধাৰণা হয়। পাকিস্তানী সকলৰ বাবে প্ৰাৰ্থনা কৰিব, ইৰাণৰ বাবে আৰু আন আন ৰাষ্ট্ৰসমূহৰ বাবেও দোৱা কৰিব। আল্লাহ তা'লা মুছলমান সকলক বিবেক-বুদ্ধি দান কৰক। আল্লাহ তা'লা সকলো আহমদীক সুৰক্ষিত ৰাখক। আহমদী সকলে মুছলমান সকলৰ হাতৰ পৰা সুৰক্ষিত নহয় আৰু অইন যিসকল মুছলমানৰ বিৰোধ সিহঁতৰ হাতৰ পৰাও সুৰক্ষিত নহয়। হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে আজিকালি পৃথিৱীত ধুমুহা অধিক পৰিমাণে হৈ আছে। আল্লাহ তা'লা বিশ্বখনক ঐশ্বৰিক প্ৰলয়ৰ পৰা নিৰাপদে ৰাখক।

খোতবাৰ শেষৰ অংশত হুজুৰ আনোৱাৰ (আইঃ)য়ে দুজন মৰহুমিন মাননীয় আমিৰ হাছান মাৰানৰী চাহাব শ্বহীদ দৰ মহম্মদ চাহাবৰ ল'ৰা নুচৰাতাবাদ মিৰপুৰখাচ তেওঁক ১৩ ডিচেম্বৰ ৰাতিপুৱা গুলিয়াই শ্বহীদ কৰি দিছিল। দ্বিতীয়জন মাউলানা আব্দুল ছাত্তাৰ ৰাউফ চাহাব মুবাল্লিগ ছিলছিলা মালাইশিয়াৰ সদগতিৰ কথা উল্লেখ কৰি নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে। হুজুৰ আনোৱাৰ (আইঃ)য়ে মৰহুমিন সকলৰ সৈতে ক্ষমাৰ আচৰণ আৰু মৰ্যদা উন্নত হোৱাৰ বাবে দোৱা কৰে।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَاللّٰهِ رحمكم اللّٰه اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 20 DEC 2024**

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB